# অসম মাতৃৰ এজনা সু-সন্তান আনন্দৰাম বৰুৱা

## অসমীয়া

**প্ৰশ্ন ১ : উত্তৰ দিয়া :**

**(ক) আনন্দৰাম বৰুৱা কোন আছিল ?**

**উত্তৰ:** আনন্দৰাম বৰুৱা প্ৰথম অসমীয়া গ্ৰেজুৱেট, প্ৰথম অসমীয়া আই.চি.এচ. বিষয়া আৰু আন্তৰ্জাতিক খ্যাতিসম্পন্ন এগৰাকী সংস্কৃত পণ্ডিত আছিল।

**(খ) আনন্দৰাম বৰুৱা কেনে ধৰণৰ লোক আছিল ?**

**উত্তৰ :** আনন্দৰাম বৰুৱা এজন সহজ-সৰল ব্যক্তি আছিল আৰু সকলোৰে লগত ভাল ব্যৱহাৰ কৰাটো তেখেতৰ বিশেষ গুণ আছিল।

**(গ) বৰুৱাদেৱে সংস্কৃত কিয় ভাল পাইছিল ?**

**উত্তৰ :** আনন্দৰাম বৰুৱা এগৰাকী আন্তৰ্জাতিক খ্যাতিসম্পন্ন সংস্কৃত পণ্ডিত আছিল। তেওঁৰ মতে— সংস্কৃত ভাষাৰ ঝঙ্কাৰ আৰু লালিত্যৰ এটি মোহনীয় শক্তি আছে। সকলো ধৰণৰ সুন্দৰ, উপযুক্ত ভাষাৰে বৰ্ণাব পৰা যি শক্তি সংস্কৃতত আছে, আন কোনো ভাষাতে নাই। সেইবাবেই তেওঁ সংস্কৃত ভাল পাইছিল।

**(ঘ) আনন্দৰাম বৰুৱাৰ শিক্ষা জীৱনৰ এটি চমু আভাস দিয়া।**

**উত্তৰ :** আনন্দৰাম বৰুৱাই শিক্ষা জীৱন আৰম্ভ কৰিছিল উত্তৰ গুৱাহাটীৰ পঢ়াশালিত। স্কুলীয়া পৰীক্ষাত ভাল ফল লাভৰ বাবে তেওঁ কঠোৰ পৰিশ্ৰম কৰিছিল। যদিও এন্ট্ৰেন্স পৰীক্ষাৰ পাচতহে তেওঁৰ প্ৰতিভাৰ ক্ৰমশঃ বিকাশ হয়। দ্বিতীয় বিভাগত এন্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ ১৮৬৫ চনত তেওঁ কলকাতালৈ পঢ়িবলৈ যায় আৰু তাতে প্ৰসিদ্ধ প্ৰেচিডেন্সী কলেজত নাম লগায়। ১৮৬৮ চনত তেওঁ বি.এ. উপাধি লাভ কৰাৰ লগতে বিলাত যাত্ৰাৰ বাবে চৰকাৰৰ পৰা বৃত্তি লাভ কৰে। বিলাতত আই.চি.এছ্. আৰু বেৰিষ্টাৰী পৰীক্ষাত উত্তীৰ্ণ হৈ ১৮৭২ চনত তেওঁ স্বদেশলৈ ঘূৰি আহে।

**(ক) মহৎ লোকৰ জীৱনী আমি কিয় পঢ়িব লাগে ?**

**উত্তৰ :** মহৎ লোকৰ জীৱনী পঢ়িলে তেখেতসকলৰ জীৱনৰ লক্ষ্য, আদৰ্শ, কাৰ্যাৱলী আদিৰ বিষয়ে জানিব পাৰি। সৰুৰে পৰা কি পৰিবেশৰ মাজেৰে, কিমান পৰিশ্ৰম, অধ্যৱসায় আৰু ত্যাগৰ বিনিময়ত তেখেতসকলে নিজকে প্ৰতিষ্ঠা কৰাৰ লগতে সমাজলৈ অতুলনীয় অৱদান আগবঢ়াই মহত্ব অৰ্জন কৰে, জীৱনত তাৰ প্ৰতিফলন ঘটে। মহৎ লোকৰ জীৱনৰ আদৰ্শ সকলোৰে বাবে অনুকৰণীয়। সেয়েহে, আমি আমাৰ জীৱনবোৰ সুন্দৰ আৰু সাৰ্থকভাৱে গঢ়িবলৈ হ'লৈ মহৎ লোকৰ জীৱনী পঢ়া উচিত।

**প্ৰশ্ন ২ : শব্দ অৰ্থ লিখা :**

**উপকৰণ, মহৎ, প্ৰাঞ্জল, আসক্তি, প্ৰগাঢ়, প্ৰসিদ্ধ, লালিত্য, শিৰোধাৰ্য, ব্যুৎপত্তি**

**উত্তৰ :**

| **শব্দ** | **অৰ্থ** |
|---|---|
| উপকৰণ | উপাদান, সঁজুলি |
| মহৎ | উদাৰ, শ্ৰেষ্ঠ |
| প্ৰাঞ্জল | সৰল, সহজ, স্পষ্ট |
| আসক্তি | প্ৰৱল ইচ্ছা, অত্যন্ত হেঁপাহ |
| প্ৰগাঢ় | অতি গভীৰ, বৰ ডাঠ |
| প্ৰসিদ্ধ | সকলোৰে ভাল ৰূপে জনা |
| লালিত্য | মধুৰতা, সৌন্দৰ্য, মাধুৰ্য |
| শিৰোধাৰ্য | মুৰ পাতি ল'বলগীয়া, পালনীয় |
| ব্যুৎপত্তি | জ্ঞান, শব্দৰ গুৰি, প্ৰকৃতি আদিৰ জ্ঞান |

**প্ৰশ্ন ৩: তলত দিয়া যুক্তাক্ষৰবোৰ ভাঙি দেখুওৱা**

**ক্ত, স্কৃ, ষ্ট, ন্স, ঙ্ক, স্ব, ন্দ**

**উত্তৰ:** ক্ত = ক + ত

স্কৃ = স + ক + ঋ

ন্স = + স

ষ্ট = ষ + ট

ঙ্ক = ঙ + ক

স্ব = স + ব

ন্দ = ন + দ